Total number of printed pages–3

**24–1R24/A (ASM 1016)**

**2024**

# ASSAMESE

Paper : ASM 1016

***( Rise and Development of Assamese Language )***

*Full Marks : 60*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। অসমীয়া ভাষাৰ উত্থানত ধৰ্মৰ প্ৰভাৱ সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰা। ১০

*অথবা*

অসমত প্ৰাপ্ত অনুশাসনবোৰৰ ভাষাৰ বিশ্লেষণে প্ৰত্ন অসমীয়া ভাষাৰ সামাজিক ইতিহাসৰ বিষয়ে কেনেদৰে সম্ভেদ দিব পাৰে ব্যাখ্যা কৰা।

২। হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত' কাব্যৰ ভাষাতাত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰা। ১০

Contd.

*অথবা*

"প্ৰাচীন যুগৰ অসমীয়া কবিসকলৰ লেখাত তৎসম আৰু তদ্ভৱ শব্দৰ সাৰ্থক সমন্বয় ঘটিছে।" এই যুক্তিৰ আধাৰত মহাপুৰুষ শংকৰদেৱৰ কাব্যৰ ভাষাৰ বিশ্লেষণ কৰা।

৩। অসমীয়া গদ্য সাহিত্যৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

ব্ৰজাৱলী ভাষাৰ ভাষাশৈলী সম্পৰ্কে আলোচনা কৰা।

৪। অসমীয়া ভাষাটোৱে আধুনিক ৰূপ গ্ৰহণত মিছনেৰীসকলৰ অৱদান উল্লেখ কৰি এই ক্ষেত্ৰত 'অৰুণোদয়' আলোচনীৰ ভূমিকা বিশ্লেষণ কৰা। ৬+৪=১০

*অথবা*

ঔপনিবেশিক কালত অসমীয়া ভাষাৰ স্বকীয়তা আৰু আধুনিক পৰ্য্যায় পোৱাত বিশেষ ভূমিকা লোৱা অসমীয়া শিক্ষিত ব্যক্তিসকলৰ কৰ্মৰ বিষয়ে চমুকৈ লিখা। ১০

৫। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটাৰ)* ৫×৪=২০

(ক) ভাৰতীয় আঞ্চলিক ভাষা সৃষ্টিৰ মূল কাৰক সম্পৰ্কে চমুকৈ লিখা।

(খ) করুণ আৰু হাস্যৰসেৰে পৰিপূৰ্ণ কাব্য হিচাপে 'ৰুক্মিণীহৰণ' কাব্যৰ এটি টোকা লিখা।

(গ) অসমীয়া গদ্যৰ উত্থানত চৰিত পুথিৰ ভূমিকা।

(ঘ) বুৰঞ্জী সাহিত্যৰ পৰম্পৰাগত শৈলী সম্পৰ্কে চমুকৈ লিখা।

(ঙ) সামাজিক মাধ্যমত ব্যৱহৃত অসমীয়া ভাষাৰ স্বৰূপ।

(চ) সমসাময়িক অসমীয়া সাহিত্যত বিশ্বায়নৰ প্ৰভাৱ।

---